**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-05 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::**

১। লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে আৰম্ভ হৈছে।

২। দেশৰ বিভিন্ন ঠাইত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত আছে।

৩। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে কৈছে যে, কৰ্ম সংস্থাপনহীনতা এইবাৰৰ লোকসভা নিৰ্বাচনৰ মূল বিষয়। আনহাতে অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলৰ শাসনকালত উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ বৈষম্যৰ সন্মুখীন হোৱা বুলি দাবী কৰিছে।

৪। আসন্ন পেৰিচ অলিম্পিকত ৬ গৰাকী ভাৰতীয় মল্লযোদ্ধাই অংশগ্ৰহণ কৰিব। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক আৰু চেন্নাই ছুপাৰ কিংছে ৰাজস্থান ৰয়েলছক পৰাস্ত কৰে।

ooooo

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে আৰম্ভ হৈছে। ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত সামৰণি পৰিব। নিৰ্বাচন আয়োগে ভোটদানৰ হাৰ বৃদ্ধিৰ উদ্দেশ্যে তেলেংগানাত ১৭টা সংসদীয় সমষ্টিৰ ঠাই বিশেষে ভোটদানৰ সময় বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই পৰ্যায়ত দেশৰ ৯খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৯৬টা সমষ্টিক সামৰি লোৱা হৈছে। ইয়াৰ ভিতৰত অন্ধ্ৰ প্ৰদেশৰ ২৫টা, তেলেংগানাৰ ১৭টা, উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ওড়িশা আৰু ঝাৰখণ্ডৰ ৪টাকৈ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ এটা সমষ্টি আছে। এই পৰ্যায়ৰ বাবে মুঠ এহেজাৰ ৭১৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। লোকসভাৰ চতুৰ্থ পৰ্যায়ৰ সমান্তৰালভাৱে অন্ধ্ৰপ্ৰদেশৰ ১৭৫ জনীয়া বিধানসভাৰ আটাইকেইখন আসন আৰু ওড়িশা বিধানসভাৰ ১৪৭ খন আসনৰ ২৮ খনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত ১৭ কোটি ৭০ লাখৰো অধিক ভোটদাতাই এহেজাৰ ৭১৭ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। চতুৰ্থ পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ নেতাসকলৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা গিৰিৰাজ সিং, অৰ্জুন মুণ্ডা, জি কিষাণ ৰেড্ডী, অজয় কুমাৰ মিশ্ৰ, জে ডি ইউৰ ৰাজীৱ ৰঞ্জন সিং, সমাজবাদী পাৰ্টীৰ অখিলেশ যাদৱ, কংগ্ৰেছ নেতা অধিৰৰঞ্জন চৌধুৰী, তৃণমূল কংগ্ৰেছৰ মহুৱা মৈত্ৰ, শত্ৰুঘ্ন সিনহা আৰু এ আই এ এমৰ আছাদুদ্দিন ওৱেছি অন্যতম।

চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ ১ লাখ ৯২ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰত ১৯ লাখৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে আজি ভোটগ্ৰহণ হোৱা ঠাই সমূহৰ তাপমাত্ৰা স্বাভাৱিক অথবা স্বাভাৱিতকৈ কম হোৱাৰ

সম্ভাৱনা আছে। অৱশ্যে নিৰ্বাচন আয়োগে ভোটদাতাসকলৰ সুবিধাৰ্থে খোৱাপানী, জিৰণিস্থল, শৌচালয়, হুইলচেয়াৰ, বিদ্যুৎ আৰু ৰেম্পৰ লেখীয়া সকলো ধৰণৰ ব্যৱস্থা কৰিছে।

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ সমান্তৰালভাৱে আজি অন্ধ্ৰপ্ৰদেশৰ ১৭৫ জনীয়া বিধানসভাৰ আটাইকেইখন আসন আৰু ওড়িশা বিধানসভাৰ ১৪৭ খন আসনৰ ২৮ খনৰ বাবেও ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

ooooo

দেশৰ বিভিন্ন ঠাইত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰ অব্যাহত আছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি পশ্চিমবংগৰ হুগলীত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি অনুসূচিত জনজাতি উন্নয়নৰ বাবে বিজেপি চৰকাৰৰ দিনত বাজেট বৃদ্ধি কৰা বুলি দাবী কৰে। ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে বাৰাকপুৰৰ জগতদলত দুখন নিৰ্বাচনী সভাত ভাগ লয়। উত্তৰ প্ৰদেশতো কালি ভিন ভিন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতা আৰু তাৰকা প্ৰচাৰকসকলে দলীয় প্ৰাৰ্থীৰ হকে প্ৰচাৰ চলায়। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি বাৰাণসীত দলৰ মিডিয়া কেন্দ্ৰ মুকলি কৰে। তেওঁ লগতে বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰোড শ্ব'ৰ প্ৰস্তুতিৰ বুজ লয়।

ইপিনে কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী বাড্ৰাই কালি হৰচান্দপুৰৰ পৰা ৰায়বৰেলী সমষ্টিত প্ৰচাৰ অভিযান আৰম্ভ কৰে। তেওঁ কয় যে, ৰায়বৰেলীত যি উন্নয়ন হৈছে সেয়া কংগ্ৰেছৰ বাবেই হৈছে।

আনহাতে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে কালি বাৰাবাংকিত আই এন ডি আই মিত্ৰজোঁটৰ প্ৰাৰ্থী তনুজ পুনিয়াৰ হকে প্ৰচাৰ চলায়। পাছত তেওঁ মোহনলালগঞ্জ আৰু লক্ষ্ণৌ সমষ্টিত প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে।

ooooo

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে কৈছে যে, কৰ্ম সংস্থাপনহীনতা এইবাৰৰ লোকসভা নিৰ্বাচনৰ মূল বিষয়। নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত কালি একাংশ যুৱক-যুৱতীৰ সৈতে মত বিনিময় কৰি শ্ৰীগান্ধীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে প্ৰচাৰ অভিযানৰ সময়ত শাসকীয় দলে কৰ্ম সংস্থাপনহীনতাৰ ওপৰত আলোকপাত নকৰা বুলি অভিযোগ উত্থাপন কৰে।

আনহাতে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত আন এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলৰ শাসনকালত উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ বৈষম্যৰ সন্মুখীন হোৱা বুলি দাবী কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলোৱা প্ৰয়াসৰ বাবেই উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ বিৰুদ্ধে বৰ্ণ বৈষম্যমূলক ভেদাভেদৰ ঘটনা অতীতৰূপে পৰিগণিত হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতৰ উন্নয়নৰ বাবে দেশখনৰ পূব প্ৰান্তৰৰ উন্নয়ন হোৱাটো অপৰিহাৰ্য। বিহাৰৰ নিৰ্বাচনী প্ৰচাৰৰ সময়ত কালি এটা ব্যক্তিগত সংবাদ প্ৰতিষ্ঠাৰ সৈতে হোৱা কথা বতৰাত নৰেন্দ্ৰ মোদীয়ে কয় যে পূব ভাৰতক উন্নয়নৰ ইঞ্জিন হিচাপে ৰূপান্তৰিত কৰা উচিত। তেওঁ লগতে কয় যে বিজেপি চৰকাৰে অঞ্চলটোৰ আন্তঃগাঁথনি, শিক্ষা আৰু স্বাস্থ্য খণ্ডৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে । চলিত লোকসভা নিৰ্বাচনত বিজেপিয়ে ৪০০ৰো অধিক আসন লাভ কৰিব বুলিও প্ৰধানমন্ত্ৰী গৰাকীয়ে মন্তব্য কৰে।

০০০০০

আপৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্রী অৰবিন্দ কেজৰিৱালে তেওঁৰ দহটা নির্বাচনী নিশ্চয়তা প্রদান কৰি কয় যে চলিত নির্বাচনত আই এন ডি আই মিত্রজোঁট ক্ষমতালৈ আহিলে এই নিশ্চয়তা কার্যকৰী কৰা হ 'ব। নতুন দিল্লীত কালি এখন সংবাদমেল সম্বোধন কৰি কেজৰিৱালে কয় যে তেওলোকৰ প্রথম নিশ্চয়তা হ'ল দেশত ২৪ ঘণ্টীয়া বিদ্যুৎ যোগান আৰু সকলো দৰিদ্র লোকক ২০০ ইউনিট বিদ্যুৎ বিনামূলীয়াকৈ প্রদান কৰা। দ্বিতীয়টো নিশ্চয়তা হৈছে বিশ্বমানৰ চৰকাৰী বিদ্যালয় নির্মাণ কৰি সকলো শিশুৰ বাবে বিনামূলীয়া শিক্ষা প্রদান কৰা। অন্যান্য নিশ্চয়তাসমূহৰ ভিতৰত আছে দেশৰ প্রতিখন জিলাতে বিশ্বমানৰ চিকিৎসালয় স্থাপন কৰি বিনামূলীয়া চিকিৎসা প্রদান, অগ্নিবীৰ আঁচনি বাতিল কৰা, স্বামীনাথন আয়োগৰ প্রতিবেদন অনুসৰি কৃষকক ন্যূনতম সমর্থন মূল্য প্রদান কৰা আৰু দিল্লীক সম্পূর্ণ ৰাজ্যৰ মর্যাদা প্রদান কৰা।

০০০০০

দিল্লী অগ্নিনির্বাপক বাহিনীয়ে দিল্লীৰ বোমা বিস্ফোৰণৰ ভাবুকিক দুষ্ট চক্রৰ উৰা বাতৰি হিচাপে অভিহিত কৰিছে। উল্লেখযোগ্য যে ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্রীয় বিমান বন্দৰ, মংগলপুৰী অঞ্চলৰ সঞ্জয় গান্ধী হাস্পতাল আৰু বুৰাৰীৰ চৰকাৰী চিকিৎসালয়লৈ কালি কোনো দুষ্টচক্রই ইমেইল কৰি অনুষ্ঠান কেইখন বোমাৰে উৰুৱাই দিয়াৰ ভাবুকি দিছিল। দিল্লী অগ্নিনির্বাপক বাহিনীৰ বিষয়াৰ মতে , চিকিৎসালয় আৰু দিল্লী বিমানবন্দৰত বোমাৰ ভাবুকিৰ সন্দৰ্ভত ইমেইল লাভ কৰাৰ লগে লগে আৰক্ষী , বোমা বিশেষজ্ঞ আৰু ডগ স্কোৱাডৰ দল ততাতৈয়াকৈ সেই স্থানলৈ প্রেৰণ কৰা হৈছিল। বিষয়াগৰাকীয়ে জনোৱা মতে , এই স্থানসমূহত তালাচী চলোৱাৰ পিছত তাত সন্দেহজনক একো পোৱা নগ'ল।

০০০০০

আসন্ন পেৰিচ অলিম্পিকত ৬ গৰাকী ভাৰতীয় মল্লযোদ্ধাই অংশগ্রহণ কৰিব। ইয়াৰে ভিতৰত ৫ গৰাকী মহিলা মল্লযোদ্ধা আছে। অমন ছহৰাৱট আৰু নিশা দাহিয়াই তুৰস্কৰ ইস্তানবুলত অনুষ্ঠিত বিশ্ব অলিম্পিক মল্লযুদ্ধ কোৱালিফায়াৰ প্রতিযোগিতাত ভাৰতৰ ক'টাৰ সংখ্যা ৬ লৈ বৃদ্ধি কৰে। ইয়াৰ পূর্বে ৱিনেশ ফ'গাটে ৫০ কিলোগ্রাম, অন্তিম পংঘালে ৫৩ কিলোগ্রাম, অংশু মালিকে ৫৭ কিলোগ্রাম আৰু ৰীতিকা হুডাই ৭৬ কিলোগ্রাম ওজন শাখাত পেৰিচ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছিল।

ইস্তানবুল প্রতিযোগিতা মল্লযোদ্ধাসকলৰ বাবে পেৰিচ অলিম্পিকলৈ যোগ্যতা অৰ্জনৰ অন্তিম প্রতিযোগিতা আছিল।

০০০০০

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে যোৱা নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্রিকেট প্রতিযোগিতাৰ এখন খেলত দেলহী কেপিটেলছক ৪৭ ৰানত পৰাস্ত কৰে। খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নির্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৮৭ ৰান কৰে। প্রত্যুত্তৰত দেলহী কেপিটেলছে ১৯ অভাৰ আৰু ১টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৪০ ৰানহে কৰিবলৈ সমর্থ হয়।

ইয়াৰ আগেয়ে চেন্নাই ছুপাৰ কিংছে এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছক ৫ উইকেটত পৰাস্ত কৰি এইবাৰৰ প্রতিযোগিতাৰ প্লেঅফ পৰ্যায়ত প্রবেশ কৰাৰ আশা সজীৱ কৰি

তোলে। চেন্নাই ছুপাৰ কিংছে ১৪২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু ২টা বলত ১৪৫ ৰান কৰে। চেন্নাইৰ হৈ অধিনায়ক ৰুতুৰাজ গাইকোৱাডে ৪৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। ৰাজস্থানৰ ৰবীচন্দ্ৰন অশ্বিনে দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ১৪১ ৰান কৰে। ৰাজস্থানৰ হৈ ৰিয়ান পৰাগে ৪৭ ৰান কৰি আউট নোহোৱাকৈ থাকে।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইদাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত